# আম আদমী পাৰ্টি - হুলস্থুলীয়া স্বৰূপ গঠনৰ বাবে লোৱা বিবেচনাবিহীন সিদ্ধান্ত

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা**

২৭ জুলাই,২০০৮ তাৰিখে বি জে পি ৰ ৩ জন সংসদীয় সদস্য - ফাগন সিঙ কুলাষ্টে, মহাবীৰ সিঙ ভাগ'ৰা আৰু অশোক আৰগলে ঘোচ দিয়াৰ চেষ্টা কৰা হৈছিল । ইউনাইটেড ষ্টেটচ অফ আমেৰিকাৰ সৈতে কৰা চিভিল নিউক্লিয়েৰ ডীলৰ বাবে তেওঁলোকক ঘোচ যচা হৈছিল, যাতে তেওঁলোকে চৰকাৰৰ হকে ভোট দিব পাৰে । এই ঘোচ দিয়া কাৰ্য্যক তেওঁলোকে দৃশ্যবন্দী কৰিছিল । তাৰ পাছত তেওঁলোকে সংসদৰ সদনৰ মজিয়াত ঘোচ হিচাপে পোৱা টকা দেখুৱায় আৰু চৰকাৰৰ হকে ভোট দিয়াৰ বাবে ঘোচ যচাৰ কথাও ফাদিল কৰে । দিল্লী পুলিচে ইয়াৰ অনুসন্ধান কৰে আৰু ঘোচ দিয়া আৰু লোৱাৰ বাবে ৩ জন সংসদীয় সদস্যক ষড়যন্ত্ৰ কৰাৰ অভিযোগৰ দোষাৰূপ কৰে । ঘোচ দিয়াৰ অভিযুক্তৰ লগত আন ৩ জন লোকক কৰায়ত্ত কৰা হয়, পাছত তেওঁলোকক জামিনত মুকলি কৰি দিয়া হয় । দিল্লীৰ চি বি আই এ বিশেষ ন্যায়ধীশৰ ওচৰত চাৰ্জশ্বীট দাখিল কৰে । ২২ নৱেম্বৰ ২০১৩ তাৰিখে দিল্লীৰ চি বি আই ৰ বিশেষ ন্যায়ধীশ শ্ৰীযুত নৰোত্তম কৌশলে ৩ জনৰ সৈতে আন কেইজনমানক অভিযোগৰ পৰা মুক্তি কৰি দিয়া হয় । ন্যায়ধীশে উল্লেখ কৰিছে যে -' অভিযোগকাৰীৰ মাজত থকা মনৰ মিলন অথবা চুক্তি, চি এন এন আই বি এনৰ দ'ল আৰু বি জে পি ৰ ৩ জন সংসদীয় সদস্যই, কংগ্ৰেছ দ'ল আৰু সমাজবাদী দ'লৰ নেতা, যি দুৰ্নীতিযুক্ত কাৰ্য্যত লিপ্ত আছিল, তেওঁলোকৰ মুখা খুলাৰ বাবে, কিনা-বেচাক লৈ তথ্য সংগ্ৰহ কৰাৰ চেষ্টা কৰিছিল,। এই কাৰ্য্য বে-আইনী অথবা বে-আইনী ব্যৱস্থাৰ আইনী কাৰ্য্যক আই পি চি ৰ ধাৰা ১২০(বি) ক আকৰ্ষিত নকৰে ।

একে আদেশ আন ২ জন হুলস্থুলীয়া লোকৰ ওপৰতো প্ৰযোজ্য হৈছিল । তেওঁলোক আছিল, সুৰেন্দ্ৰ কুলকৰ্ণী আৰু চুহেইল হিন্দুস্থানী । ন্যায়ধীশে এই ২ জন অভিযোগীৰ ক্ষেত্ৰত নীৰিক্ষণ কৰিছিল যে বি জে পি ৰ অভিযোগকাৰী সংসদীয় সদস্যৰ লগত উপস্থিতি, যি চি এন এন আই বি এন দ'লৰ সৈতে সমগ্ৰ দৃশ্য বন্দী কৰিছিল আৰু তেওঁৰ এই অভিনয় ঘোচ দিয়া লোকক ধৰাৰ বাবেহে আছিল ।

সেই হুলস্থুলকাৰী লোকৰ অধিকাৰ আৰু সুৰক্ষাৰ হকে প্ৰচাৰ কৰা লোকৰ বাবে এই ৰায় ঐতিহাসিক বিজয় আছিল । দুৰ্ণীতি ফাদিল কৰিব'লৈ ভাৰতক এনে বহুত হুলস্থুলকাৰী লোকৰ

দৰকাৰ । লোকসভাই তেওঁলোকৰ ওপৰত তৈয়াৰ কৰা বিধেয়ক লোকসভাত গৃহীত কৰা হৈছিল যদিও ৰাজ্যসভাত লম্বিত হৈ আছে । চলি থকা এই অধিবেশনত যদি বিধায়ক সকলে অলপো সুবিধা পায় তেন্তে মই বিশ্বাসী যে এই বিধেয়ক অতি শীঘ্ৰে গৃহীত হ'ব ।

আজি খবৰ কাকতে বিস্তৃত ভাৱে বৰ্ণনা কৰিছে যে আম আদমী দ'লৰ চৰকাৰে এই ৰায়ৰ বিৰুদ্ধে এপিল কৰাৰ সিদ্ধান্ত কৰিছে । লোকপালৰ প্ৰচাৰ আৰু হুলস্থুলীয়া লোকৰ বিধেয়ক আম আদমী পাৰ্টিয়ে নিজৰ বুলি দাবী কৰিছে । সেইবাবে মই আচৰিত হৈছো যে আদালতৰ দ্বাৰা হুলস্থুলীয়া লোকক দোষমুক্ত কৰাৰ পাছত ইয়াক প্ৰত্যাহৰান জনোৱা বুলি আম আদমী পাৰ্টিৰ চৰকাৰৰ শেহতীয়া সিদ্ধান্ত হ'ব । মই স্বীকাৰ কৰো যে ২০০৮ চনত ভ'ট অফ কন্ফিডেন্সত সংসদীয় সদস্যই ক্ৰ'ছ ভোট কৰিছিল, সংসদীয় সদস্যক ইয়াৰ বাবে ঘোচ যচা হৈছিল । এই ৩ জন বিধায়কে আন ২ জনৰ লগত মিলি এই সমগ্ৰ কাণ্ডক নাটক হিচাপে কৰি ব্যক্তিগত সংবাদ মাধ্যমৰ দ্বাৰা ৰেকৰ্ড কৰোৱাইছিল । স্বাধীন ভাৰতৰ ইতিহাসত এক বৃহৎ কেলেংকাৰী ফাদিল হৈছে । তেওঁলোকক মিছাকে অভিযুক্ত কৰা হৈছিল আৰু সত্যতাৰ ভিত্তিত মুক্ত কৰি দিয়া হৈছিল ।

শ্ৰীযুত অৰৱিন্দ কেজৰিৱাল আৰু তেওঁৰ চৰকাৰে হুলস্থুলীয়া লোকৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লোৱাৰ সিদ্ধান্তক লৈ মই আচৰিত হৈছো । ৰাজনীতি কেনেদৰে আগবঢ়াই নিব লাগে সেইয়া বহুতৰে বাবে অবুজ সাথঁৰ । শ্ৰীযুত কেজৰিৱালে সকলোকে দূৰ্ণীতিগ্ৰস্ত বিষয়াৰ বিৰুধে ষ্ট্ৰীং অপাৰেচন কৰাৰ বাবে উৎ সাহিত কৰোৱায় । কিন্তু আম আদমী দ'লৰ এই সকলো গুচৰৰ ওপৰত মতামত দিব লাগেনে, যদি হয় তেন্তে আই পি চি ধাৰা ১২০(বি) ৰ অধীনত সকলো দোষী সাব্যস্ত

হয় ।